আজি কৃষ্ণকান্ত সন্দিকৈৰ জন্ম শতবাৰ্ষিকী

# কৃষ্ণকান্ত সন্দিকৈ আৰু বিশ্ববিদ্যালয়ৰ ধাৰণা






■ ড° প্ৰসেনজিৎ দাস
■ ড° ৰীতিমণি বৰদলৈ

**কৃষ্ণকান্ত** সন্দিকৈয়ে ইংৰাজীত লিখা দুটি নিবন্ধত একোখন বিশ্ববিদ্যালয়ে কৰিবলগীয়া কাম-কাজ আৰু বিশ্ববিদ্যালয় এখনৰ দাৰ্শনিক স্থিতিক লৈ কিছুমান গভীৰ চিন্তাৰ উদ্ৰেক কৰা দেখা গৈছে। সেই নিবন্ধ দুটি হৈছে Academic Standard ( শৈক্ষিক মান) আৰু German Academic Ideals (জাৰ্মানীৰ শৈক্ষিক আদৰ্শ) , য'ত সন্দিকৈয়ে বিশ্ববিদ্যালয় শব্দটোৰ মূল দৰ্শনটোৰ কেতবোৰ গুৰুত্বপূৰ্ণ কথাৰ ওপৰত আলোকপাত কৰা দেখা গৈছে। ১৯৪৮ চনতে লিখা তেওঁৰ প্ৰথমটো নিবন্ধত পাশ্চাত্যৰ বিশ্ববিদ্যালয়সমূহৰ উদাহৰণ দি তেওঁ কৈছে যে শৈক্ষিক মান শিক্ষণ আৰু শিকন পদ্ধতিৰ ওপৰত বাৰুকৈয়ে নিৰ্ভৰ কৰে। ইংলেণ্ডৰ শিক্ষা ব্যৱস্থাৰ বিষয়ে ক'বলৈ গৈ তেওঁ কৈছে যে তাৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে কেৱল পঠন সামগ্ৰী বা এখন সূচীৰ অন্তৰ্ভুক্ত পাঠসমূহহে পঢ়ে ভাৰতীয় বা অসমৰ ছাত্ৰ-ছাত্ৰীসকলৰ দৰে 'টোকা' কেতিয়াও নপঢ়ে। আৰু সেইটোৰেই ইংলেণ্ডৰ লেখীয়া দেশৰ শৈক্ষিক মান নিৰূপণত এক বিশেষ ভূমিকা লয় বুলি তেওঁ কৈছে। অৱশ্যে শৈক্ষিক মানৰ বিষয়টো বহু পৰিমাণে নিয়মানুৱৰ্তিতা আৰু সাধুতাৰ ওপৰতো নিৰ্ভৰ কৰে। য'ত ভাৰতীয় শিক্ষা ব্যৱস্থাত পৰীক্ষাৰ সময়ত আৰক্ষীৰ সহায় ল'বলগীয়া হোৱাটো খুবেই সাধাৰণ কথা, ইংলেণ্ডৰ নিচিনা দেশত পৰীক্ষাৰ নিৰীক্ষণৰ কোনো ব্যৱস্থাই নাই।

সন্দিকৈয়ে তেওঁৰ দ্বিতীয়টো নিবন্ধ জাৰ্মানীৰ শৈক্ষিক আদৰ্শত সেই সময়ৰ জাৰ্মানীৰ শিক্ষা ব্যৱস্থাৰ বিষয়ে ক'বলৈ গৈ বিশ্ববিদ্যালয় সম্পৰ্কে আন কেতবোৰ গুৰুত্বপূৰ্ণ ধাৰণাৰ আঁত ধৰিছে। তেওঁ কৈছে যে জাৰ্মানীৰ বৌদ্ধিক অগ্ৰগতি সেই সময়ৰ ইংলেণ্ড বা ফ্ৰান্সতকৈও ভালেমান দিশত আগবঢ়া আৰু পৃথক। মাত্ৰ এটা উপাদানেই তাৰ বিশ্ববিদ্যালয়সমূহৰ শৈক্ষিক মান নিৰূপণৰ কাৰক হৈ পৰে। আৰু সেইটো হ'ল বিশ্ববিদ্যালয় একোখনক সকলোৰে শৈক্ষিক আৰু বৈজ্ঞানিক গৱেষণাৰ একমাত্ৰ কেন্দ্ৰস্থল হিচাপে গ্ৰহণ কৰি লোৱাটো। ইয়াৰ উপৰি এই বিশ্ববিদ্যালয়বোৰত কৰ্মৰত অধ্যাপকসকলে নিজস্বভাৱে অথবা সহযোগিতামূলকভাৱে প্ৰকাশ কৰা গৱেষণাবোৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত অতি গুৰুত্বপূৰ্ণ পৰীক্ষণ হিচাপে পৰিগণিত হৈ আহিছে। এনেবোৰ বিশ্ববিদ্যালয়ৰ শিক্ষক সমাজৰ বিষয়ে ক'বলৈ গৈ সন্দিকৈয়ে মত প্ৰকাশ কৰিছে যে সদায় গৱেষণাত ব্ৰতী একো একোজন লোক নিজেও প্ৰথমে এজন ভাল শিক্ষক হ'ব লাগে আৰু ঠিক একেদৰেই এজন অতিকে শিক্ষিত লোক কেতিয়াও এজন ভাল শিক্ষক নোহোৱাকৈ থাকিব নোৱাৰে। আৰু অৱশেষত সন্দিকৈয়ে গৱেষণাৰ কথা ক'বলৈ গৈ একধৰণৰ শৈক্ষিক স্বাধীনতাৰ কথা কৈছে। আজিৰ সময়ত এনেবোৰ কথাৰ গুৰুত্ব কিমান সি বিতৰ্কৰ বিষয়।

একে প্ৰসংগতে নাম ল'ব পাৰি জাৰ্মান অধ্যাপক কাৰ্ল জেছপাৰ্ছ (Karl Jaspers) আৰু ইংৰাজ সমালোচক এফ আৰ লিভিছ (F. R Leavis) এ বিশ্ববিদ্যালয়ক লৈ প্ৰকাশ কৰা নিজৰ নিজৰ মনোভাৱৰ কথা। ১৯৪৬ চনত জেছপাৰ্ছে The Idea of the University (বিশ্ববিদ্যালয়ৰ ধাৰণা) শীৰ্ষক এখন ৰচনা লিখিছিল। উক্ত ৰচনাখন হিটলাৰৰ একনায়কত্ববাদী শাসনৰ শেষ পৰ্যায়ত আৰু দ্বিতীয় বিশ্বযুদ্ধৰ জাৰ্মানীৰ পৰাজয়ৰ পৰৱৰ্তী কালত লিখা হৈছিল। সেই সময়ত ভালেসংখ্যক জাৰ্মান ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকে সৃষ্টিশীল আৰু সমালোচনামূলক চিন্তা-চৰ্চা পৰিহাৰ কৰি, নিজৰ জাতীয় আৰু বৰ্ণভিত্তিক প্ৰজ্ঞাপনক লৈ অতি ব্যস্ত হৈ পৰিছিল। অৱশ্যে তাৰ মাজতো অতি কমসংখ্যক অধ্যাপকে নিজৰ সত্যনিষ্ঠা আৰু স্বাধীনচিতীয়া চিন্তাধাৰাক সাৰোগত কৰি নিজৰ কাম কৰি গৈছিল। তেওঁলোকৰ বহুতৰেই যি সময়ত প্ৰাণহানি হৈছিল, জেছপাৰ্ছৰ নিচিনা চিন্তাশীল অধ্যাপকে শিক্ষাদানৰ পৰা বিৰত থাকিও তেনে এক জটিল সময়ত জাৰ্মান বিশ্ববিদ্যালয়বোৰৰ সুখ্যাতিখিনি সংৰক্ষণ আৰু পুনৰুদ্ধাৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিল। তেওঁৰ মতে এখন বিশ্ববিদ্যালয়ক তিনিটা প্ৰধান কাৰকে সততে ক্ৰিয়া কৰি থাকে— তাত্ত্বিক শিক্ষাদান বৈজ্ঞানিক আৰু পাণ্ডিত্যসূচক গৱেষণা আৰু সৃষ্টিশীল সাংস্কৃতিক জীৱন। তেওঁ পুনৰ কৈছিল যে যদি এজন শিক্ষকে নিজে গৱেষণাৰ লগত জড়িত নহয়, তেওঁ কেতিয়াও সঁচা অৰ্থত শিক্ষাদান কৰিব নোৱাৰে। কৃষ্ণকান্ত সন্দিকৈৰ ৰচনাবোৰ পঢ়িলে একেবোৰ কথাই প্ৰতীয়মান হোৱা যেন বোধ হয়।

একেদৰে নাম ল'ব পাৰি বিখ্যাত ইংৰাজ সমালোচক এফ আৰ লিভিছৰ আৰু তেওঁৰ ১৯৪৩ চনত লিখা Education and the University (শিক্ষা আৰু বিশ্ববিদ্যালয়) শীৰ্ষক ৰচনাখনিৰ, য'ত তেওঁ এখন সৃষ্টিশীল বিশ্ববিদ্যালয়ৰ সপোন দেখিছিল। আজি যদিও লিভিছক গোটেই বিশ্বৰ বিজ্ঞ সমাজে বিংশ শতাব্দীৰ এজন বিখ্যাত সাহিত্য সমালোচক হিচাপে আৰু ইংলেণ্ডৰ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ক কেন্দ্ৰ কৰি প্ৰতিষ্ঠা লাভ কৰা স্ক্ৰুটিনী (Scrutiny) নামৰ সাহিত্য সমালোচনাৰ আলোচনীখনৰ জন্মদাতা হিচাপে মনত ৰাখিছে, সেই সময়ৰ ইংলেণ্ডৰ উচ্চ শিক্ষাৰ ওপৰত তেওঁ পোষণ কৰা ধাৰণাবোৰে অথবা তেওঁৰ এখন সৃষ্টিশীল বিশ্ববিদ্যালয়ৰ ধাৰণাই তেওঁক কাৰ্ল জেছপাৰ্ছৰ দৰে এজন চিন্তাশীল ব্যক্তিৰ লগত একে শাৰীত থিয় হোৱাত সহায় কৰে। সৃষ্টিশীলতাক সদায়ে গুৰুত্ব দি অহা লিভিছে বিশ্ববিদ্যালয়ত সহযোগিতামূলক গৱেষণাৰ সপোন দেখিছিল আৰু উচ্চ শিক্ষাৰ তথাকথিত উপযোগীবাদী দৰ্শনটো মানি ল'ব খোজা নাছিল। তেওঁৰ মতে সমাজৰ বিভিন্ন অনুষ্ঠানৰ মাজত বিশ্ববিদ্যালয়েই হ'ল এনে এক অনুষ্ঠান, য'ত সঠিক পৰিৱেশ লাভ কৰিলে সৃষ্টিশীলতাই ঠন ধৰি উঠে আৰু সি কেৱল শিক্ষানুষ্ঠানটোকেই নহয়, গোটেই সমাজ ব্যৱস্থাটোকেই জীপাল কৰি তোলে। লিভিছৰ এনেবোৰ ধাৰণাৰ আঁৰত আছিল কিদৰে বিভিন্ন শিক্ষা বিষয়ৰ মাজৰ সহযোগিতাই সুসংগঠিত জ্ঞানৰ সূচনা কৰে তাৰ ওপৰত এক গভীৰ বিশ্বাস।

কৃষ্ণকান্ত সন্দিকৈয়ে এই প্ৰবন্ধটিৰ আৰম্ভণিতে উল্লেখ কৰা ৰচনা দুখনত মূলতঃ ইংৰাজ আৰু জাৰ্মান জাতি দুটাৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ বিষয়ে উদঙাবলৈ গৈ আচলতে অসমৰ শিক্ষা ব্যৱস্থাটোৰ ওপৰতো আলোকপাত কৰিব বিচাৰিছিল নেকি? যদিও সন্দিকৈ জেছপাৰ্ছ আৰু লিভিছ তিনিওজন বিজ্ঞ লোকৰ বিশ্ববিদ্যালয়ক লৈ কৰা মতৰ পটভূমি একে নহয়, বিশ্ববিদ্যালয় একোখনৰ আদৰ্শক লৈ কৰা তিনিওজনৰে মতৰ মাজত কিন্তু ভালেখিনি মিল থকা দেখা যায়। ইউৰোপৰ পৰা অসমলৈ ঘূৰি আহি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথমজন উপাচাৰ্য হিচাপে তাৰ শৈক্ষিক বাতাৱৰণটো যি দৰে সন্দিকৈয়ে গঢ় দিব বিচাৰিছিল, তাৰ লগত জেছপাৰ্ছ বা লিভিছৰ নিজৰ নিজৰ ক্ষেত্ৰত কৰা প্ৰচেষ্টাৰ লগত বহু মিল থকাটো এক সংযোগৰ লগতে সন্দিকৈৰ দৰে এজন মহান চিন্তাশীল লোকৰ ব্যক্তিত্বৰ অভিব্যক্তি যেনো লাগে। অৱশ্যে নিজৰ ৰচনা দুখনত সন্দিকৈয়ে জাৰ্মানী আৰু ইংলেণ্ডৰ বিশ্ববিদ্যালয়ক লৈ যিবোৰ কথাৰ অৱতাৰণা কৰিছে জেছপাৰ্ছ লিভিছৰ ৰচনা দুখন পঢ়িলে কথাবোৰ এশ শতাংশই সঁচা যেন লাগে। জেছপাৰ্ছে যিদৰে মানুহৰ চৰিত্ৰ আৰু অন্তৰৰ পৱিত্ৰতাৰ কথা কৈছিল, সন্দিকৈয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম সমাৱৰ্তনত দিয়া নিজৰ ভাষণত যেন সেইখিনি কথাকেই পুনৰ মনত পেলাই দিছিল They must remember that it is not degrees but character and purity of the heart that will entitle them to the dignity of man. In world full of temptations they have to keep their balance and resist the forces of evil.

আজিৰ অসমৰ আন আন বিশ্ববিদ্যালয়কেইখনৰ লগতে কৃষ্ণকান্ত সন্দিকৈৰ নামত উৎসৰ্গিত একমাত্ৰ মুক্ত বিশ্ববিদ্যালয়খনে শিক্ষাৰ পোহৰ লাভ নকৰা সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষাৰ লগত চিনাকি কৰাই দি, অসমৰ শৈক্ষিক জগতখনত এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু নিজৰ লক্ষ্যত উপনীত হ'বলৈ যাওঁতে কেতিয়াও বিশ্ববিদ্যালয়খনক তৰলীকৃত বা মৰ্যাদাহীন হোৱাটো কাৰোৰেই কাম্য নহয়। বিশ্ববিদ্যালয়খনৰ লগত জড়িত প্ৰতিজন লোকে এখন মুক্ত বিশ্ববিদ্যালয়ৰ মূল উপাদানখিনিক আৰু দৰ্শনটোক সংৰক্ষণ আৰু টনকিয়াল কৰি ৰখাটো এক এৰাব নোৱৰা দায়িত্বৰ নিচিনা। সন্দিকৈ জেছপাৰ্ছ নতুবা লিভিছৰ নিচিনা যুগদ্ৰষ্টাই কোৱা কথাবোৰে আজিৰ এই জটিল সন্ধিক্ষণত নতুন বাটৰ সন্ধান নিশ্চয়কৈ দিব পাৰে। আজিৰ বিশ্বায়নৰ যুগত ভাৰতবৰ্ষ তথা অসমৰ শিক্ষা ব্যৱস্থাই যি ধৰণৰ জটিলতাৰ মাজেদি পাৰ হ'ব লগা হৈছে, তেনে ক্ষেত্ৰত উচ্চ শিক্ষাই কেৱল বৰ্তমানৰ প্ৰয়োজন পূৰণ কৰাৰ বাহিৰেও এক দীঘলীয়া ভৱিষ্যতৰ লক্ষ্য আগত ৰাখি আৰু গৱেষণালব্ধ জ্ঞানক সাৰথি কৰি লৈ আগবাঢ়ি যোৱাটোহে আচল কথা।

**লেখক কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক**
**ফোন ঃ ৯৪৩৫১-৪৬৫৯৬ , ৯৪৩৫৭-৪৮৫৬৭**

**...আজিৰ অসমৰ আন আন বিশ্ববিদ্যালয়কেইখনৰ লগতে কৃষ্ণকান্ত সন্দিকৈৰ নামত উৎসৰ্গিত একমাত্ৰ মুক্ত বিশ্ববিদ্যালয়খনে শিক্ষাৰ পোহৰ লাভ নকৰা সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষাৰ লগত** চিনাকি কৰাই দি, অসমৰ শৈক্ষিক জগতখনত এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু নিজৰ লক্ষ্যত উপনীত হ'বলৈ যাওঁতে কেতিয়াও বিশ্ববিদ্যালয়খন তৰলীকৃত বা মৰ্যাদাহীন হোৱাটো কাৰোৰেই কাম্য নহয়। **বিশ্ববিদ্যালয়খনৰ লগত জড়িত প্ৰতিজন লোকে এখন মুক্ত বিশ্ববিদ্যালয়ৰ মূল উপাদানখিনিক আৰু দৰ্শনটোক সংৰক্ষণ আৰু টনকিয়াল কৰি ৰখাটো এক এৰাব নোৱৰা দায়িত্বৰ নিচিনা। ...**